# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-APR-2026
**Time :** 0755 HRS

## *Assamese Morning Bulletin*

———————————————

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে– দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শ্বিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বানকুৰা, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰিছে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ সময়ছোৱাত যিকোনো ওজৰ-আপত্তিৰ বাবে আয়োগে ১৮০০৩-৪৫০০০৮ টোল ফ্ৰি নম্বৰ আৰু ই-মেইল আইডি মুকলি কৰিছে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা ৰখা হৈছে। ভোট কেন্দ্ৰসমূহৰ বাহিৰত মোবাইল ফোন ৰখাৰো ব্যৱস্থা কৰা হৈছে।

০০০০০০

মণিপুৰৰ থৌবাল জিলাত থকা খেবাছিঙৰ যুদ্ধ স্মাৰকত আজি খংজম দিৱস পালন কৰা হ'ব। ১৮৯১ চনত ইংৰাজৰ বিৰুদ্ধে খংজমত হোৱা যুদ্ধত চৰম বলিদান দিয়া সাহসী মণিপুৰী যোদ্ধাসকলৰ স্মৃতিত প্ৰতিবছৰে ২৩ এপ্ৰিলত এই দিৱস পালন কৰা হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা আৰু মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে আজি এই দিৱসৰ কাৰ্যসূচীত অংশ লৈ যুদ্ধ স্মাৰকত শ্বহীদসকলৰ প্ৰতি পুষ্পমাল্য তৰ্পণ কৰিব। ইয়াৰ পাছতে তোপধ্বনিৰে বীৰ জোৱানসকলক সন্মান জনোৱা হ'ব। তদুপৰি এই যুদ্ধৰ স্মৃতিত খংজম নৈত তৰ্পণ কাৰ্যসূচী আৰু এখন নাট মঞ্চস্থ কৰা হ'ব। অনুষ্ঠান নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথসমূহতো জনসাধাৰণৰ সুবিধা হোৱাকৈ সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত কেইবাটাও সংগঠনে বন্ধ কাৰ্যসূচী ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা লোৱা হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীত অংশ ল'বলৈ আগ্ৰহীসকলৰ সুবিধাৰ্থে বিশেষ বাছ চলাচলৰো ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে ১৮৯১ চনৰ এই যুদ্ধত মণিপুৰী যোদ্ধাসকলে ইংৰাজৰ বিৰুদ্ধে ৮ খন যুদ্ধক্ষেত্ৰত যুঁজ দিছিল আৰু খংজমৰ অন্তিমখন যুদ্ধক্ষেত্ৰত দিয়া যুঁজৰ ফলত ৰাজ্যখনে সফলতা লাভ কৰিছিল।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি অনুষ্ঠিত হ'ব। অভিযুক্ত মহন্তৰ জামিন আবেদন সন্দৰ্ভত কালি আদালতে

শুনানি গ্ৰহণ কৰে যদিও সময়ৰ অভাৱত সেয়া সম্পূৰ্ণ নোহোৱাৰ বাবে আজি পুৱাৰ ভাগৰ পৰা পুনৰ শুনানি অনুষ্ঠিত হ'ব। কালিৰ এই শুনানি সন্দৰ্ভত এগৰাকী চৰকাৰী অধিবক্তাই এইদৰে কয়—

**বাইট (অধিবক্তা)**

০০০০০০

ৰাজ্যৰ বিশিষ্ট সাংবাদিক, অসমীয়া প্ৰতিদিন কাকতৰ প্ৰাক্তন সম্পাদক, নিৰন্ধকাৰ নিত্য বৰাৰ শেষকৃত্য আজি দিনৰ ১১ বজাত নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব। ইয়াৰ আগেয়ে দিনৰ ১০ বজা পৰ্যন্ত বৰাৰ গান্ধীবস্তি বাসগৃহত গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত জ্যেষ্ঠ সাংবাদিকগৰাকীৰ দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি সাংবাদিকগৰাকী চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। ১৯৪৪ চনৰ ১ ছেপ্তেম্বৰত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত জন্মগ্ৰহণ কৰা বৰাই কেইবাখনো গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছিল। ২০১৮ চনত অসম সাহিত্য সভাই তেওঁক লক্ষ্মীনাথ ফুকন সাংবাদিকতা বঁটাৰে সন্মানিত কৰিছিল। সাংবাদিকগৰাকীৰ নশ্বৰ দেহ কালি নিশাৰ ভাগত গুৱাহাটীলৈ অনা হয়। তেওঁৰ মৃত্যুত সংবাদজগতৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ লগতে বহু লোকে শোক প্ৰকাশ কৰিছে।

০০০০০০

অসম আদিত্যৰ মুখ্য সম্পাদক তথা বিশিষ্ট চিকিৎসক, সাহিত্যিক নিৰ্মল চাহেৱালাক কালি জ্যোতিপ্ৰতাপ জ্ঞানমাৰ্গ বিদ্যালয়ৰ তৰফৰ পৰা স্বাস্থ্য ৰত্ন বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে যোৱা ২৯ মাৰ্চত বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰাৰ বাবে কালি তেওঁক এই সন্মান প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**